চুফী আন্দোলন আৰু ইয়াৰ মূলনীতি সমূহ আলোচনা কৰা।

মধ্যযুগৰ এক উল্লেখযোগ্য ধৰ্মীয় শক্তি আছিল চুফীবাদ। চুফী শব্দটো ঐতিহাসিকসকলৰ মতে চাফ আৰু চুফ শব্দৰ পৰা উৎপত্তি হোৱা বুলি মত পোষণ কৰে। চাফ শব্দৰ অৰ্থ হ'ল চাফা বা পবিত্ৰ। যিহেতু চুফী সাধকসকলে পবিত্ৰতাৰ বস্ত্ৰ পৰিধান কৰি পবিত্ৰ ভাৱে ধ্যানত বহিছিল সেয়ে তেওঁলোকক চুফী আৰু তেওঁলোকে প্ৰচাৰ কৰা মতবাদক চুফীবাদ বুলি কোৱা হৈছিল। চুফীবাদ কোনো নতুন ধৰ্ম বা মতবাদ নাছিল। ই গোড়া মুছলমান সকলৰ বিৰুদ্ধে আৰম্ভ কৰা এক বিদ্ৰোহ আছিল। বহুতো ঐতিহাসিকৰ মতে চুফী শব্দটো চুফ বা উলৰ পৰা আহিছে। যিহেতু চুফীসকলে উলৰ বহুতো কাপোৰ পৰিধান কৰিছিল।

চুফীবাদৰ আৰম্ভণি হৈছিল খ্ৰীঃ ৭ম শতিকাত। ভাৰতত মুছলমানসকলৰ আগমনৰ সময়তে এই মতবাদৰ প্ৰবেশ ঘটে যদিও খ্ৰীঃ ১৩ শতিকাতে ইয়াৰ জনপ্ৰিয়তা বৃদ্ধি হয়।

ইছলাম ধৰ্মত সোমাই পৰা কিছুমান গোড়ামিৰ বিপক্ষে এই মতবাদৰ জন্ম হৈছিল। ধৰ্মীয় গোড়ামি আৰু জড়বাদৰ বিপক্ষে দাৰ্শনিক চিন্তাধাৰাৰ উত্থান আৰম্ভ হয় আৰু এই চিন্তাধাৰাতে ৰহস্য আৰু বৈৰাগ্যৰ আবিৰ্ভাৱ ঘটে। চুফীসকলে একান্ত ভক্তিৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিছিল।

ভাৰতৰ কেবাগৰাকীও চুফী সাধক বিশেষভাৱে উল্লেখযোগ্য। খাজা মইনউদ্দিন চিস্তি, নিজামুদ্দিন আউলিয়া, ফৰিদউদ্দিন আদি বিখ্যাত চুফী পণ্ডিত আছিল।

চুফীবাদ কিছুমান নীতিৰ ওপৰত প্ৰতিষ্ঠিত। সেইবোৰ হ'ল — (১) একেশ্বৰবাদত বিশ্বাস আৰু সকলো জীৱই ঈশ্বৰৰ অংশ (২) ঈশ্বৰক লাভ কৰিবলৈ প্ৰথমতে ঈশ্বৰক একান্তভাৱে বিশ্বাস কৰিব লাগিব (৩) চুফীবাদত আচাৰ-অনুষ্ঠান আদি বাহ্যিকতাৰ বিপৰীতে অন্তৰৰ পবিত্ৰতা আৰু একান্ত ভক্তিত গুৰুত্ব প্ৰদান কৰা হৈছিল (৪) এই মতবাদত জাতিভেদ আৰু অস্পৃশ্যতা বৰ্জন কৰা হৈছিল (৫) মূৰ্তিপূজাত বিশ্বাস নকৰিছিল (৬) ঈশ্বৰ প্ৰাপ্তিৰ বাবে বেদ বা নামপুথিতকৈ একান্ত ভক্তিৰ প্ৰয়োজন অধিক বুলি বিশ্বাস কৰিছিল আৰু (৭) গুৰু বা পীৰৰ ওচৰত দীক্ষা লোৱাটো মুক্তি লাভৰ মূল উপায় বুলি বিশ্বাস কৰি

Scanned with CamScanner